এক শৰণ নাম ধৰ্ম্ম ।

(ভগৱানৰ [redacted]য় বাণী)

মন্মনা ভব মদ্ভক্তো মদ্‌যাজী মাং নমস্কুৰু ।
মামেবৈষ্যসি সত্যং তে প্ৰতিজানে প্ৰিয়োঽসি মে ॥
সৰ্ব্বধৰ্ম্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ ।
অহং ত্বাং সৰ্ব্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ ॥

এক দেও এক সেও ।
এক বিনে নাহি কেও ॥

শ্ৰীমৎ স্বামী কৃষ্ণানন্দ ব্ৰহ্মচাৰী ।

— • প্ৰকাশক • —
শ্ৰীমনোৰঞ্জন দাস ।
শ্ৰীযাদব চন্দ্ৰ দাস ।
বৰপেটা

বেচ— ॥০ অনা ।

পাতান।

জগত গুৰু শ্ৰীমন্ত শঙ্কৰদেৱে শ্ৰীমদ্ভাগৱত গীতা আৰু শ্ৰীমদ্ভাগৱতৰ পৰা এক শৰণ মূলক হৰিনাম শ্ৰৱণ কীৰ্ত্তন যি ভজন ধৰ্ম্ম একমাত্ৰ কলিৰ জীৱৰ সহজ সাধ্য প্ৰতিপাদন কৰি এক শৰণ নাম ধৰ্ম্ম প্ৰৱৰ্ত্তন আৰু প্ৰচাৰ কৰিছিল তাকেই অতি সংক্ষেপে প্ৰকাশ কৰা হৈছে। এক শৰণ ধৰ্ম্ম শ্ৰীমদ্ভাগৱত গীতাৰ অষ্টাদশ অধ্যায়ৰ ৬৫।৬৬ শ্লোকেই ইয়াৰ মূল সূত্ৰ। অৱশ্যে এই শৰণ ধৰ্ম্মৰ কথা একাদশ স্কন্ধটো দ্বাদশ অধ্যায়ৰ ১৪।১৫ শ্লোকত শ্ৰীকৃষ্ণ ভগৱানে প্ৰাণতম ভক্ত উদ্ধৱক উপদেশ দিছে। ভাগৱত ধৰ্ম্ম গীতা শ্ৰীকৃষ্ণৰ বাণী বুলি সৰ্ব্ব সম্প্ৰদায় নমস্য আৰু সৰ্ব্ব সম্প্ৰদায়ৰ প্ৰামাণ্য গ্ৰন্থ বুলি স্বীকৃত। কিন্তু বৰ আচৰিত কথা গীতাত ভগৱানে দঢ়াই দঢ়াই শৰণৰ কথা কোৱা স্বত্বেও ভাৰতৰ কোনো মহাপুৰুষেহে গীতাৰ এই এক শৰণ মতবাদৰ ওপৰত দৃঢ় ভিত্তি কৰি ধৰ্ম্ম প্ৰচাৰ কৰিছে বুলি আমাৰ জনা নাই। শ্ৰীকৃষ্ণ ভগৱানে প্ৰায় ৫০০০ বছৰ পূৰ্ব্বেই অৰ্জ্জুনক লক্ষ্য কৰি এই এক শৰণ ধৰ্ম্ম অভয় বাণী সৰ্ব্ব জীৱৰ নিজ ধৰ্ম্ম বুলি বজ্ৰস্বৰে কৈছিল। শ্ৰীকৃষ্ণ ভগৱানৰ পিচত অৰ্থাৎ প্ৰায় আঢৈ হাজাৰ বছৰৰ পাচত বৌদ্ধ ধৰ্ম্মত "বুদ্ধং শৰণং গচ্ছামি, ধৰ্ম্মং শৰণং গচ্ছামি, সঙ্ঘং শৰণং গচ্ছামি" বুলি বৌদ্ধ ধৰ্ম্ম শৰণ মূলক মতবাদ প্ৰতিষ্ঠিত হৈছিল। কিন্তু ই গীতোক্ত শ্ৰীকৃষ্ণৰ এক শৰণ নহয়, যিহেতু বুদ্ধ মতবাদ নাস্তিক শূন্যবাদ বেদ বিৰুদ্ধ হৈ প্ৰচাৰিত হয়। অধিকন্তু বৌদ্ধ ধৰ্ম্ম শৰণত হৰিত শৰণৰ কথা নাই। বুদ্ধ দেৱৰ অনেক পিচত প্ৰায় ১৪০০ বছৰৰ পাচত ৰামানুজ স্বামীয়ে শ্ৰীকৃষ্ণ শৰণম্ বুলি বিশিষ্টাদ্বৈতবাদ মূলক ভাগৱত ধৰ্ম্ম প্ৰৱৰ্ত্তন কৰে। এই

মতবাদো গীতোক্ত এক শৰণ ধৰ্ম্মৰ পৰা পৃথক হৈ পৰে। যিহেতু ৰামানুজ স্বামীৰ উপাস্য বস্তু লক্ষ্মী নাৰায়ণ। কিন্তু গীতাৰ শৰণ দেৱতা একমাত্ৰ দৈৱকী নন্দন শ্ৰীকৃষ্ণহে। ৰামানুজ স্বামীৰ সহিতে মাধৱাচাৰ্য্য, নিম্বকাচাৰ্য্য আৰু বিষ্ণু স্বামী ভাগৱত ধৰ্ম্ম প্ৰবৰ্ত্তন কৰে। এওঁলোকে কোনেও গীতাৰ এক শৰণ নাম ধৰ্ম্মত দৃঢ় আস্থা ৰাখি তেওঁলোকৰ মতবাদ প্ৰতিষ্ঠিত কৰা নাছিল। ওপৰোক্ত ধৰ্ম্মাচাৰ্য্য সকলে সমস্ত উপনিষদৰ বিৰোধ বাক্য সমন্বয়কাৰী ব্যাস দেৱৰ ব্ৰহ্মসূত্ৰ বা বেদান্ত দৰ্শনৰ ওপৰত যিমানদূৰ সুদৃঢ় বিশ্বাস ৰাখি বেদান্তৰ সৰ্ব্বশ্ৰেষ্ঠ প্ৰামাণ্যৰ স্বীকাৰ কৰি তেওঁলোকৰ মতবাদ প্ৰতিষ্ঠিত হৈছে সেইদৰে সাক্ষাত শ্ৰীকৃষ্ণ ভগৱানৰ সমস্ত উপনিষদৰ সাৰ গীতাৰ অভয় বাণীৰ ওপৰত তিমান গুৰুত্ব দিয়া নাই। শৰণ ধৰ্ম্মৰ প্ৰধান নিষেধ বাক্য "অন্য দেৱীদেও নকৰিবা সেও", প্ৰধান আদেশ বাক্য "একদেও একসেও"।

এই মহাপুৰুষৰ এক শৰণ নাম ধৰ্ম্ম প্ৰচাৰ উদ্দেশ্য লৈয়েই এই ক্ষুদ্ৰ গ্ৰন্থ খনি জন সাধাৰণৰ হাতত দিয়া হ'ল। গঙ্গাজল কৰ্দ্দম যুক্ত হলেও যেনেকৈ সাধু সকলে তাক উপেক্ষা নকৰে সেইদৰে মহাপুৰুষৰ বাণী আৰু ধৰ্ম্ম ভাৱ আৰু ভাষা সমূহ আমাৰ দৰে অপাত্ৰ ব্যক্তিৰ সন্তাৰিক ভাব আৰু ভাষাৰ দ্বাৰা অসম্পূৰ্ণ হলেও সি অৱজ্ঞাৰ থলি নহব বুলি আশা কৰোঁ।

অৱশেষত শ্ৰীশ্ৰীমাধৱ দেৱৰ ঘোষোক্ত "অল্প গুণ কত্ৰয় কৰিয়া বিস্তাৰ" এই বচন ফাকিৰ কথা মনত কৰি আমাৰ সমস্ত ত্ৰুটী ক্ষমা কৰে যেন।

ভকতৰ কৃপা ভিখাৰী—

১৩৫৫ চন — কৃষ্ণানন্দ —

১৯ আহিন বৰপেটা সত্ৰ।

GOVERNMENT OF ASSAM
Call No...............
DISTRICT LIBRARY

শোক মোহ মহা পঙ্ক মাজে অৰ্জ্জুন মগন ভৈল দেখি,
পৰম ঈশ্বৰ দৈৱকী নন্দ নন্দন।
কৃপায় ঈশ্বৰে তত্ত্ব কহি উদ্ধাৰিলা নিজ ভকতক
হেনো ঈশ্বৰৰ চৰণে লৈলো শৰণ ॥

———×———

১ম উপদেশ

শৰণ কাক বোলে ?

সা চ শৰণাপত্তি লক্ষণা। (আম্নায় সূত্ৰ ৫৮)

অৰ্থাৎ শৰণাপত্তি লক্ষণেই শৰণাগতৰ বা শ্ৰদ্ধাৰ বাহ্য লক্ষণ। কোনো অভীষ্ট সাদ্ধৰ আকাঙ্খা নাৰাখি কায়মনোবাক্যে মহা বিশ্বাস পূৰ্ব্বক ভগবানত আত্ম সমৰ্পনকেই শৰণ বোলে। যথা—

অনন্যসাধ্যে স্বাভীষ্টে মহাবিশ্বাস পূৰ্ব্বকম্
তদে কোপযৃতা বাঞ্ছা প্ৰপত্তি শৰণোগতি ॥

অষ্টসিদ্ধিৰ কোনো প্ৰকাৰ উপায় (অভীষ্ট) নাৰাখি ছয়বিশ্বাস পূৰ্ব্বক শ্ৰীকৃষ্ণৰ চৰণত প্ৰপন্ন হৈ প্ৰাৰ্থনা জনালে শৰণাগতি হয়।

সাধুসঙ্গত হৰিকথা শুনোতে শুনোতে যেতিয়া চিত্তৰ (মনৰ) ভাৱ এই ৰকম হয় যে কৰ্ম্মজ্ঞান যোগাদিত জীৱৰ নিত্য লাভৰ সম্ভাৱনা নাই, কেৱল অনন্য ভাৱত হৰি শৰণাগত বাহিৰে জীৱৰ গত্যন্তৰ নাই, তেতিয়াহে বেদ আৰু গুৰুবাক্যত বিশ্বাসৰূপ শৰণাগতি হৈছে বুলি জানিব লাগিব।

শৰণাপত্তি যথা —

আনুকুল্যস্য সঙ্কল্পঃ প্ৰতিকুল্যস্য বৰ্জ্জনম্।
ৰক্ষীষ্যতীতি বিশ্বাসো গোপ্তৃত্বে বৰণং তথা।
আত্মনিক্ষেপ কাৰ্পণ্যো ষড়বিধা শৰণাগতিঃ॥

(বায়ু পুৰাণ আৰু হঃ ভঃ বিঃ ১১।৪১৭)

অনন্য ভক্তিৰ যি অনুকুল হয় তাকেই কৰিম আৰু যি প্ৰতিকুল হয় তাক বৰ্জ্জন কৰিম, এই নিচিনা প্ৰতিজ্ঞা; আৰু ভগবানেই মোৰ ৰক্ষা-কৰ্ত্তা জ্ঞান যোগাদি চেষ্টাৰ দ্বাৰা মোৰ একো হব নোৱাৰে, এই নিচিনা বিশ্বাস মোৰ চেষ্টাত মোৰ কোনো লাভ হব নোৱাৰে বা মোকে মই পালন কৰিব নোৱাৰিম, মই তাৰ যথা সাধ্য সেৱা কৰিম, তেওঁ মোক পালন কৰিছে এই নিচিনা নিৰ্ভৰতা; মই কোন ? মই তেওঁৰ আৰু তেওঁৰ ইচ্ছাতেই মোৰ কাৰ্য্য, এই নিচিনা আত্মনিবেদন; মই অকিঞ্চন, দীন আৰু হীন এই নিচিনা কাৰ্পণ্য বুদ্ধি, এই প্ৰতিজ্ঞা, বিশ্বাস, নিৰ্ভৰতা, আত্ম-নিবেদন আৰু দৈন্যচিত্তত অৱস্থিত হৈ যি বৃত্তিক উদয় কৰায়

সিয়েই শ্ৰদ্ধা বা শৰণাগতি। এই শ্ৰদ্ধা বা শৰণাগতি যাৰ চিত্তত উদিত হৈছে, তেৱেঁই ভক্তিৰ অধিকাৰী। ইয়েই নিত্যমুক্ত শুদ্ধ জীৱ বিলাকৰ স্বভাৱৰ প্ৰথমাৱস্থা। এতেকে ইয়েই জীৱৰ নিত্য স্বভাৱ। ইযাকেই শৰণাগতি বোলে।

উপৰোক্ত শৰণাগতি পুৰুষৰ বিষড় বৈধ লক্ষণৰ কথা বৰ্ণিত হৈছে, —একশৰণীয়া ভকতৰ শৰীৰত বাহ্যিক এই সকল লক্ষণ দেখা যায়। শ্ৰীমাধৱ দেৱে ঘোষাত লিখিছে, —

কায়মনোবাক্যে শ্ৰীভগবানকেই সুহৃদ বুলি শৰণাগত হলে বাধা বিঘ্নিয়ে তেওঁক একো কৰিব নোৱাৰে। বিঘিনিৰ মূৰত ভৰি দি আনন্দত তেওঁ নৃত্য কৰে।

.যিটো জনে শুদ্ধভাৱে হৰিত শৰণ লৈয়া
হৰিক সুহৃদ বুলি আছে।
হৰিৰ প্ৰসাদে সিটো বিঘ্নিৰ মুণ্ডত ভৰি
দিয়া হৰি গুণ গায়া নাচে॥

মুখত এক শৰণীয়া কিন্তু কাৰ্য্যত বহুশৰণীয়া অৰ্থাৎ কৰ্ম্ম-কাণ্ড, জ্ঞান কাণ্ডত যাৰ বিশ্বাস, তাৰ সিদ্ধিও নহয়। আৰু ভগবানো তাৰ প্ৰতি সন্তুষ্ট নহয়।
নাম ঘোষাত—

বচনে কেৱল শৰণ লয় চিত্তে আন দেৱক ভজয়
জানিবাহা কদাচিতো সিদ্ধি সিটো নালভয়
হৰি তাৰ সন্তোষ নহয়॥

২য় উপদেশ

শৰণ কিয় হব লাগে ?

শ্রীকৃষ্ণ ভগবানে গীতাৰ ৭ম অধ্যায়ত কৈছে, —

দৈবীহ্যেষা গুণময়ী মমমায়া দুৰত্যয়া।
মামেব যে প্রপদ্যন্তে মায়ামেতাং তৰন্তি তে ॥৭ ১৪

হে অৰ্জ্জুন! সত্ত্বাদি ত্রিগুণময়ী মোৰ এই মায়া নিশ্চয় সুদুস্তৰা; যি সকলে (অব্যভিচাৰিনী ভক্তি সহকাৰে) মোৰেই শৰণাপন্ন হৈ ভজনা কৰে সেই মহাত্মা সকলেই এই সুদুস্তৰা মায়া অতিক্রম কৰিব পাৰে।

কি কৰ্ম্মমাৰ্গ, কি যোগমাৰ্গ, কি জ্ঞানমাৰ্গ সকলোৰে মূল উদ্দেশ্য মায়াৰ হাত সৰা। মায়াক অতিক্রম কৰিব নোৱাৰিলে কোনো ৰকমেই প্রকৃত শান্তি আৰু ভগৱদ প্রাপ্তি সম্ভৱ নহয়। এই সুদুস্তৰা মায়াৰ পৰা পৰিত্ৰাণ পাবৰ একমাত্র উপায় কায়-মনোবাক্যে ভগবানৰ শৰণাগত হোৱা। উপৰোক্ত ভগবদ্বাক্যৰ দ্বাৰা এই কথাকেই নিশ্চয় কৰি ক'লে। অব্যভিচাৰী ভক্তি অৰ্থাৎ একশৰণ নহলে ত্রিগুণাত্মিকা মায়াক অতিক্রম কৰা নাযায়। ১৪ শ আধ্যায়ৰ ২৬ শ্লোকত শ্ৰীভগবানে নিজমুখেই এই কথা কৈছে,—

মাঞ্চ যোঽব্যভিচাৰেণ ভক্তি যোগেন সেৱতে।
স গুনান্ সমতীত্যৈতান ব্ৰহ্মভূয়ায় কল্পতে ॥

যি জনে মোক অনন্য ভক্তি-যোগ সহকাৰে সেৱাকৰে, তেওঁ এই তিনিগুণ অতিক্ৰম কৰি ব্ৰহ্মভাৱ লাভৰ (মোক্ষলাভৰ) যোগ্য হয়।

শ্ৰীমাধৱ পুৰুষে নামঘোষাত কৈছে,—

কৃষ্ণকেসে মাত্ৰ ভজে যিটো জনে
অব্যভিচাৰী ভকতি।
তিনি গুণ অতি ক্ৰমি ব্ৰহ্মৰূপ
পাৱে সিটো মহামতি ॥

এতেকে উপৰোক্ত শ্লোক আৰু পদাদিৰ দ্বাৰা শ্ৰীভগবানত একশৰণ ব্যতিৰেকে মায়াক অতিক্ৰম কৰিবৰ অন্য কোনো উপায় নাই।

ব্ৰাহ্মণৰ ল'ৰা ব্ৰাহ্মণ কুলত জন্মগ্ৰহণ কৰিলেও তাৰ সংস্কাৰ উপনয়নাদি সাবিত্ৰী জন্মৰ যেনে প্ৰয়োজন তেনেকুৱা ভকতৰ লৰা ভকতৰ ঘৰত জন্মগ্ৰহণ কৰিলেও শৰণ নোলোৱা পৰ্য্যন্ত ভক্তি ৰাজ্যত প্ৰবেশ অধিকাৰ নজন্মে।

শ্ৰীসাত্বত তন্ত্ৰত কৈছে —

সৰ্ব্বমূলং কৃষ্ণপাদশৰণং পৰিকীৰ্ত্তিতং।
যদ্বিনা শ্ৰৱতে ভক্তিৰাম ভাণ্ডাৎ যথাপয়ঃ। (৪ৰ্থ পটল)

হৰিপদ শৰণেই সৰ্ব্বমূল। শৰণ নহলে এৰাঁ টেকেলিৰ পানীৰ নিচিনা ভক্তিজাৰি যায়। কৃষ্ণ ভক্তি প্ৰাপ্তিৰ একমাত্ৰ উপায় "শৰণ"। এই কথা কেৱল তন্ত্ৰ আৰু গীতাতেই যে কৈছে, তেনে

নহয়। ভাগৱত, পদ্ম পুৰাণ. গৰুড় পুৰাণ গোপাল তাপনি, উপ-নিষদ, শ্বেতাশ্বৰোপনিষদ আদি মুখ্য শাস্ত্ৰবিলাকে "একশৰণ" হৈ কৃষ্ণ ভজনৰ কথাই দঢ়াই দঢ়াই কৈছে। মহাপুৰুষ শ্ৰীশঙ্কৰ দেৱে তন্ত্ৰ মতে দীক্ষা লৈ মন্ত্ৰদ্বাৰা শ্ৰীহৰিক পূজা অৰ্চনা কৰি ভক্তি কৰাতকৈ একমাত্ৰ শ্ৰীকৃষ্ণত একশৰণ হৈ শ্ৰৱণ কীৰ্ত্তনাঙ্গ উপায় দ্বাৰা হৰি ভজন কৰি কৃষ্ণ প্ৰেম প্ৰাপ্তিৰ কাৰণ নিৰ্দ্দেশ কৰিছে। যদি-ওৱা নৱবিধ ভক্তিৰ কথা ভাগৱতত বৰ্ণনা আছে; কলিৰ যুগধৰ্ম্ম অনুসাৰে শ্ৰৱন কীৰ্ত্তনেই নিৰ্ব্বিঘ্নপথ। আৰু এই শ্ৰৱন কীৰ্ত্তনাঙ্গ ভজনতেই নৱবিধা ভক্তি পূৰ্ণ হৈ থাকে। সমস্ত শাস্ত্ৰৰ এইয়ে সীদ্ধান্ত। ভাগৱতৰ ১ম স্কন্ধত শ্ৰীশঙ্কৰদেৱে লিখিছে --

৩য় উপদেশ

শ্ৰৱণ কীৰ্ত্তন মাত্ৰে ভৱোক নিশেষ।
দূৰ হোক তোমাৰ মনৰ মহা ক্লেশ॥
যদ্যপি ভকতি নৱবিধ মাধৱৰ।
শ্ৰৱণ কীৰ্ত্তন তাতে মহা শ্ৰেষ্ঠতৰ॥
অৰ্চ্চন-বন্দন-ধ্যান সমস্তাতে কৰি।
যশ কীৰ্ত্তনত অতি তুষ্ট হোন্ত হৰি॥

নৱবিধা ভক্তিৰ ভিতৰত আত্ম-সমৰ্পণ বা শৰণ বিৰোচন ৰত্না-বলী গ্ৰন্থৰ শেষত শ্ৰীমাধৱ পুৰুষে বৰ্ণনা কৰিছে। শ্ৰীকৃষ্ণ ভগৱন্তেও গীতাৰ শেষ অষ্টাদশ অধ্যায় মোক্ষ যোগত ১৮। ৬২— ৬৫ শ্লোকত

দঢ়াই দঢ়াই এই এক শৰণ ধৰ্ম্মৰেই কথা শেষ অভয় বাণী স্বৰূপে কৈছে।

ত্বমেৱ শৰণং গচ্ছ সৰ্ব্বভাবেণ ভাৰত।
তৎ প্ৰসাদাৎ পৰাং শান্তিং স্থানং প্ৰাপ্স্যসি শাশ্বতম্ ॥
(১৮। ৬২)

হে ভাৰত! সৰ্ব্বতোভাবে তেওঁৰে শৰণ লোৱা; তেওঁৰ অনুগ্ৰহত পৰম শান্তি আৰু পৰম ধাম পাবা। পুনঃ অন্যান্য পৰ পৰ শ্লোকত—

ইতি তে জ্ঞানমাখ্যাতং গুহ্যাদ্‌গুহ্যতৰং ময়া।
বিমৃশ্যৈতদশেষেণ যথেচ্ছসি তথা কুৰু ॥ [১৮ ৬৩]

হে অৰ্জ্জুন! মই তোমাৰ ওচৰত অতিশয় গোপনীয়তকৈ গোপনীয়-তম্ তত্ত্ব ব্যাখ্যা কৰি কলো। তুমি ইয়াকে বিশেষকৈ বিবেচনা কৰি যি ইচ্ছা হয় তাকে কৰা।

সৰ্ব্ব গুহ্যতমং ভূয়ঃ শৃণু মে পৰমং বচঃ।
ইষ্টোঽসি মে দৃঢ়মিতি ততো বক্ষ্যামি তে হিতম্ ॥
[১৮ ৬৪]

এতিয়া সকলোতকৈ গুহ্যতম্ পৰম শ্ৰেয় সাধন মোৰ শেষ কথা শুনা। তুমি মোৰ অত্যন্ত প্ৰিয়,। সেই কাৰণে তোমাক এই কল্যাণকৰ কথা মই কওঁ শ্ৰৱণ কৰা।

মন্মনাভৱ মদ্ভক্তো মদ্‌যাজী মাং নমস্কুৰু।
মামেবৈষ্যসি সত্যং তে প্ৰতিজানে প্ৰিয়োঽসি মে ॥
[১৮ ৬৫।

সৰ্ব্বধৰ্ম্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।

অহং ত্বাং সৰ্ব্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ ॥

(১৮।৬৬)

তুমি একমাত্ৰ মোতেই চিত্ত ৰাখা, মোকেই ভক্তি কৰা, মোক পূজা কৰা, মোক নমস্কাৰ কৰা, মই সত্য প্ৰতিজ্ঞা কৰি কৈছো, তুমি মোকেই পাবা, কিয়নো তুমি মোৰ প্ৰিয়।

সকলো ধৰ্ম্ম পৰিত্যাগ কৰি তুমি কেৱল মাত্ৰ মোৰেই শৰণাগত হোৱা। মই তোমাক সমস্ত পাপৰ পৰা মুক্ত কৰিম, শোক নকৰিবা। (১৮।৬৫—১৮।৬৬)

ঘোষাত কৈছে—

মোতে মাত্ৰ সদা দিয়া মন মোৰ ভক্ত হোৱা সৰ্ব্বক্ষণ

মোকে পূজা মাত্ৰ মোকে কৰা নমস্কাৰ।

কহিলো তোমাত সত্যবাণী পাইবা সুখে মোক মহামানী

তুমি প্ৰিয়তম সুহৃদ সখি আমাৰ ॥

কৃষ্ণ নিগদতি সব্যসাচী পৰমাৰ্থ তত্ত্ব লৈয়ো বাচি

সুদৃঢ় বিশ্বাসে শৰণ লৈয়ো আমাত।

মোতে মাত্ৰ সদা দিয়া চিত্ত গায়ো মোৰ গুণ নাম গীত

সকলো শাস্ত্ৰৰ কহিলো সাৰ সাক্ষাৎ ॥ (ঘোষা)

ৰত্নাৱলীত —

কেৱল শৰণ মোত লোৱা ধনঞ্জয়।

ৰাখিবো সবাকে মই নকৰিবা ভয় ॥

এহিমানে কহিলন্ত গীতাৰ শকতি।
জানি সাধুজন যাৰ আছুয় সুমতি ॥
লৈয়োক শৰণ এক কৃষ্ণৰ চৰণে।
সকলো শাস্ত্ৰৰ তাৎপৰ্য্য এহিমানে ॥
তৰ্ক বেদ বেদান্তৰো এহিমানে সীমা ॥

ভক্তিমাৰ্গ আৰু ভাগৱত ধৰ্ম্মৰ এইয়ে মূল তত্ত্ব। এই শৰণ তত্ত্ব অতি গোপনীয়তকৈও গোপনীয়তম; ই শ্ৰীভগবদ্বাক্যৰ দ্বাৰা স্পষ্টকৈ প্ৰকাশ পাইছে। ১৮ ৬৬ শ্লোকত সৰ্ব্ব ধৰ্ম ত্যাগ কৰি মোকে মাত্ৰ ভজনা কৰা” এই শ্লোকটি গীতাৰ শক্তি সৰ্ব্ব ধৰ্ম্ম পৰিত্যাগ কৰি একমাত্ৰ ভগৱন্ত শৰণাগতি ধৰিলেহে মায়াক জয় কৰি ভগৱৎ চৰণত উপনীত হব লাগে। সকলো মুখ্য শাস্ত্ৰৰ এইয়ে তাৎপৰ্য্য। আৰু তৰ্ক শাস্ত্ৰ বেদ বেদান্তৰো এইয়ে শেষ সিদ্ধান্ত। ১৮-৬২, ৬৩ শ্লোকদ্বয়ত গোপনীয়তকৈও গোপনীয় শৰণৰ কথা কৈ “সৰ্ব্ব গুহ্যতমং ভূয়” বুলি শৰণৰ দৃঢ়তা বুজাবলৈ, আকৌ ১৮-৬৪, ৬৫, ৬৬ এই তিনিটি শ্লোকত সেই শৰণ তত্ত্বৰ শেষ অভয়বাণী এই দৰে কৈছে—হে অৰ্জ্জুন! মোৰ এই শেষ কথা অৰ্থাৎ গীতাৰ এই শেষ অভয়বাণী। এই কথাৰ উপৰিও আৰু কৈছে যে মই সত্যে শপথ খাই কৈছো, তুমি মোকেই পাবা। যিহেতু তুমি মোৰ পৰম প্ৰিয়তম; সেই বুলিহে এই কথা কলো। কেবল মাথোন তুমি মোতে মন দিয়া, মোকে নমস্কাৰ কৰা, মোৰে ভক্ত হোৱা আৰু মোকে পূজা কৰা। গীতাৰ ইয়েই এক শৰণ। এই ঠাইতে স্বয়ং ভগবানে ভকতৰ ওচৰত সত্য প্ৰতিজ্ঞা কৰি কৈছে যে, তুমি মোক পাবাহি। অধি-

কিন্তু সকলো ধৰ্ম্ম পৰিত্যাগ কৰি কেৱল মাথো মোৰেই শৰণ লোৱা সৰ্ব্ব ধৰ্ম্ম পৰিত্যাগৰ কাৰণে কিবা পাপ হলে মই নিজে তোমাক পবিত্ৰ কৰি মুক্ত কৰিম। তুমি ভয় কিম্বা শঙ্কা নকৰিবা। শৰণাগত ভকতৰ প্ৰতি শ্ৰীকৃষ্ণ ভগবানৰ অসীম কৃপা, এই কথা তেওঁ গীতাত বাৰে বাৰে কৈছে। যেনে (১২।৬৮ শ্লোক)

যে তু সৰ্ব্বাণি কৰ্ম্মাণি ময়ি সংন্যস্য মৎপৰাঃ।
অনন্যেনৈব যোগেন মাং ধ্যায়ন্ত উপাসতে ॥ ৬
তেষামহং সমুদ্ধৰ্ত্তা মৃত্যু সংসাৰ সাগৰাৎ।
ভবামি ন চিৰাৎ পাৰ্থ ময্যাবেশিত চেতসাম্ ॥ ৭
ময্যেব মন আধৎস্ব ময়ি বুদ্ধিঃ নিবেশয়।
নিবসিষ্যসি ময্যেব অত ঊৰ্দ্ধং ন সংশয়ঃ ॥ ৮

যি সকলে সমস্ত কৰ্ম্ম মোতে অৰ্পণ কৰি, একমাত্ৰ মোতেই চিত্ত একাগ্ৰ কৰি, ধ্যান নিৰত হৈ মোৰ উপাসনা কৰে, হে পাৰ্থ! মোতে সমৰ্পিত চিত্ত সেই ভক্ত সকলক মই অচিৰাৎ মৃত্যুময় সংসাৰ সাগৰৰ পৰা উদ্ধাৰ কৰি থাকো। এতেকে মোতে মন স্থাপন কৰা, মোতে বুদ্ধি নিবিষ্ট কৰা, তেনেহলে দেহান্তত মোতেই স্থিতি কৰিবা, ইয়াত সন্দেহ নাই।

সৰ্ব্বধৰ্ম্মত্যাগ——গীতাৰ ভক্তিমূলক উপসংহাৰ নাইবা শ্ৰীকৃষ্ণ ভগৱন্তৰ শেষ অভয়বাণী। ২-৭ শ্লোকত অৰ্জ্জুনে কিংকৰ্ত্তব্যবিমূঢ় হৈ "শিষ্যস্তেঽহং শাধি মাং ত্বাং প্ৰপন্নম্" বুলি কৈ শৰণাগত হৈছিল। অষ্টাদশ অধ্যায়ৰ ৬৬ শ্লোকত উপসংহাৰ

স্বৰূপে শেষ নির্ভৰবাণীত সর্ব্বধর্ম্ম পৰিত্যাগ কৰি একশৰণ হবলৈ কলে ।

সর্ব্বধর্ম্ম ত্যাগ শব্দৰ অর্থ কি ? এই ঠাইত ধর্ম্ম বুলিলে কি বুজা যায় ? ভগবত প্রাপ্তি মোক্ষ লাভ নে ? স্বৰ্গাদি পাৰলৌকিক মঙ্গলার্থে যি সকল অনুষ্ঠেয় কর্ম্ম শাস্ত্রাদিত নির্দ্দিষ্ট আছে । ব্যাপক অর্থে তাকেই ধর্ম্ম বোলে ! যেনে—গার্হস্থ্য ধর্ম্ম, সন্যাস ধর্ম্ম, ৰাজ ধর্ম্ম, পতিব্রতা ধর্ম্ম, দান ধর্ম্ম, অহিংসা ধর্ম্মকে আদি কৰি ইত্যাদি । এই অর্থে মহাভাৰতত এই ধর্ম্ম শব্দ পুনঃ পুনঃ ব্যবহৃত হৈছে ।

শ্রীকৃষ্ণই অর্জ্জুনৰ মোহ নিবাৰণ কৰিবলৈ কর্ম্ম, জ্ঞান, ভক্তি মিশ্রিত অপূর্ব্ব যুগধর্ম্মৰ উপদেশ দি সর্ব্বশেষত "সর্ব্বগুহ্যতম" এই সাৰকথা কৈছিল যে তুমি স্মৃতি শ্রুত লোকাচাৰ বেদাচাৰ নানাৰকম বিধি আৰু বিধি নিষেধৰ দাসত্ব ত্যাগ কৰি সর্ব্বতোভাবে মোৰেই শৰণাপন্ন হোৱা । মোৰ কর্ম্ম বোধে যথা প্রাপ্ত কর্ত্তব্য কর্ম্ম কৰি যোৱা তোমাৰ কোনো শঙ্কা নাই । মই তোমাক সমস্ত পাপৰ পৰা মুক্ত কৰিম । এইয়ে ভগৱৎ শৰণাগতি বা এক শৰণ ধর্ম্ম । শ্রীমদ্ভাগৱততো ভক্ত শ্রেষ্ঠ উদ্ধৱক সর্ব্বধর্ম্ম পৰিত্যাগ কৰি কেৱল তেওঁৰ শৰণাগত হবলৈকে কৈছে ।

তস্মাৎ ত্বমুদ্ধৱোৎসৃজ্য চোদনাং প্রতি চোদনাম
প্রবৃত্তঞ্চ নিবৃত্তঞ্চ শ্রোতব্যং শ্রুতমেবচ ॥ ভাঃ ১১।১২।১৪
মামেকমেব শৰণমাত্মানং সর্ব্বদেহিনাম্ ।
যাহি সর্ব্বাত্মভাবেন ময়া স্যাহ্যকুতোভয়ঃ ॥ (১১।১২।১৫)

এতেকে হে উদ্ধব। শ্রুতি, স্মৃতি, প্রবৃত্তি, নিবৃত্তি, শ্রুতব্য, শ্রুত সমস্ত বিসর্জন দি সৰ্ব্বভাৱত সৰ্ব্বদেহীৰ শৰণ্য পৰমাত্মা মোৰ শৰণ লোৱা। তেনেহলে মোৰ দ্বাৰা তোমাৰ সকলো ভয় অপসাৰিত হব।

উপৰোক্ত শ্লোক আৰু "সৰ্ব্বধৰ্ম্মান্ পৰিত্যাজ' শ্লোকে শ্ৰুতি স্মৃতি আদি আদেশ লঙ্ঘন কৰি ভগবানত শৰণাগত হবলৈ নিৰ্দ্দেশ দিছে। শ্ৰীমাধৱ দেৱে নামঘোষাত কৈছে,—

মাধৱে বোলন্ত শ্ৰুতি স্মৃতি মোৰ আজ্ঞাবাণী জানা নিষ্ট
যিটো জনে আৰু উলঙ্ঘিবা প্ৰবৰ্ত্তয়।
ভৈলা সিটো মোৰ আজ্ঞা ছেদী মোৰ দ্বেষ কৰিলেক আতি
মোৰ ভক্ত হোন্ত বৈষ্ণৱ সিটো নহয়॥
যত উগ্ৰ তপ জ্ঞান গুণ যাগ যোগ যজ্ঞ দান পুণ্য
কিবা প্ৰয়োজন সাধিবেক তাসবাৰ।
কৃষ্ণ জগতৰ গুৰু নিষ্ট সুখ মোক্ষপ্ৰদ দেৱ ইষ্ট
তাহান চৰণে ভকতি নাহিকে যাৰ॥

এই ঘোষাৰ দ্বাৰা কেৱল ধৰ্ম্ম বা ঐকান্তিক ধৰ্ম্মৰেই কথা কৈছে। শ্ৰুতি স্মৃতি ভগবানৰ আদেশ হলেও একান্ত ভকতে তাক অপেক্ষা কৰি হৰি ভজন কৰে। স্মৃতিৰ মূল উদ্দেশ্য কৰ্ম্মকাণ্ড যাগ যজ্ঞাদি, শ্ৰুতিৰ জ্ঞানাদি। সৰ্ব্ব শৰণ্য ভগবানৰ চৰণত যাৰ ভকতি নাই উগ্ৰ তপ জপ জ্ঞানে তাৰ কি ফল সাধিব পাৰে? এই কাৰণে ৰত্নাৱলীত এই বিষয়ে বিস্তাৰিত ভাবে বৰ্ণনা কৰিছে।

পৰম ৰহস্য জানি প্ৰভু ভগৱন্ত ।
সুখ শাস্ত্ৰ মানে নিজ মুখে কহিলন্ত ॥
যি সব উপায় কহি আছে কৃপাময় ।
অজ্ঞানী সকলো কৰি তাহাকে আশ্ৰয় ॥
মহাসুখে আত্মতত্ত্ব জানে সমুদায় ।
তাকে বুলি ভাগৱত ধৰ্ম্ম নিমিবায় ॥
যেন মহাসুখ ভাগৱত ধৰ্ম্মচয় ।
প্ৰপঞ্চিতয়া কৰো তাক শুনা মহাশয় ॥
চাৰিবেদ অষ্টাদশ স্মৃতি নিৰন্তৰ ।
এই দুই চক্ষু জানা ব্ৰাহ্মন সবৰ ॥
তাকে বুলি কনা যাৰ এক চক্ষু নাই ।
দুইকো নজানিলে অন্ধ বুলি সমুদায় ॥
হেন অন্ধসবো ভাগৱত ধৰ্ম্ম ধৰি ।
লৰড়ি ফুৰন্তে তাৰ নিপিচলে ভৰি ॥
হৰিৰ ভকতি ধৰ্ম্ম যি জনে আচৰে ।
নিত্য নৈমিত্তিক কৰ্ম্মো কৰে কৰ্ম্মো এড়ে ॥
তথাপিতো ধৰ্ম্মভ্ৰষ্ট নোহে সিটো নৰ ।
একবিয়ো পাবে ফল সমস্তে ধৰ্ম্মৰ ॥
এতেকেসে ভাগৱন্ত ধৰ্ম্ম সুখকৰ ।
কহিলো তোমাত ইটো ধৰ্ম্ম নৃপবৰ ॥
বুলিবাহা কোন ভাগৱত ধৰ্ম্মচয় ।
শুনিয়োক কহো তাক তোমাত নিশ্চয় ॥

তপ জপ যজ্ঞ দান ব্ৰত সদাচাৰ ।
ধন জন গৃহ পুত্ৰ ভাৰ্য্যা আপোনাৰ ॥
সমস্তকে শুদ্ধভাৱে অৰ্পিব কৃষ্ণত ।
ইহাকে বোলয় মহাধৰ্ম্ম ভাগৱত ॥

ভক্তি স্বয়ং জীৱক মুক্তি দিবলৈ সমৰ্থা । স্মৃতিৰ কৰ্ম্মকাণ্ড আৰু শ্ৰুতিৰ জ্ঞান কাণ্ডক অপেক্ষা নকৰে । নাম ঘোষাত——

কেৱল ভকতি পুৰুষক তাৰে সহায় কাকো নছাৰে ।
জ্ঞান কৰ্ম্ম তাৰে, তাৰিতে নাপাৰে, ভকতি নপাৰে যাবে ॥

ইয়াকে কেৱলা ভক্তি ভাগৱতী ধৰ্ম্ম বোলে । শ্ৰীমদ্ভাগৱতত সৰ্ব্বধৰ্ম্মত্যাগী ভগৱদ্ভক্তকেই শ্ৰেষ্ঠ ভক্ত বুলি কোৱা হৈছে । যথা—

আজ্ঞায়ৈবং গুণান্ দোষান্ ময়াদৃষ্টানপি স্বকান্ ।
ধৰ্ম্মান্ সংত্যজ্য যঃ সৰ্ব্বান্ মাং ভজেত স সত্তমঃ ॥

মোৰ দ্বাৰা বিহিত বেদোক্ত ধৰ্ম্মসকলৰ আচৰণত সত্ত্ব শুদ্ধাদি গুণ ও অনাচৰণত দোষ ইয়াক জানিয়ো যি জনে সৰ্ব্বধৰ্ম্ম পৰিত্যাগ কৰি একমাত্ৰ মোকেই ভজনা কৰে, তেওঁৱেই সাধুসকলৰ ভিতৰত শ্ৰেষ্ঠ ।

ভগৱানৰ প্ৰকৃত স্বৰূপ কি ? জানক বা নাজানক, অনন্য ভাৱে যি জনে ভগৱানক ভজনা কৰে , তেওঁৱেই ভগৱানৰ শ্ৰেষ্ঠ ভক্ত । ১১ ১১ । ৩৪ শ্লোকত শ্ৰীভগৱানে কৈছে —

জ্ঞাত্বাঽজ্ঞাত্বাথ যে বৈ মাং যাবান্ যশ্চাস্মি যাদৃশঃ
ভজন্ত্যনন্যভাবেন তে মে ভক্ততমা মতাঃ ॥

নানা ৰকম বিশেষণ বিশিষ্ট হোৱাৰ পিচতো মই কোন, কি ৰূপ আৰু মোৰ স্বৰূপ কি প্ৰকাৰ, ইয়াক জানিয়েই হ'ক বা নাজানিয়ে হ'ক

যি সকলে অনন্যমনে মোক ভজনা কৰে, সেইলোক অতি উত্তম ভক্ত, এইয়ে মোৰ মত। ৰত্নাকৰত মহাপুৰুষে কৈছে:—

যাহাৰ মায়াত এতেকে অনৰ্থ
ভজোক হেন মুৰাৰী।
এক চিত্ত হুয়া কৃষ্ণত কৰি যি
ভকতি অব্যভিচাৰী॥
কৃষ্ণ পাৱে এক শৰণ পশিয়া
হৰিত কৰি ভকতি।
অতি অজ্ঞানীয়ো অনায়াসে লভে
দুৰ্লভ পৰম গতি॥

৪র্থ উপদেশ

একান্ত শৰণাগত ব্যক্তি পঞ্চ ঋণৰ পৰা মুক্ত। একমাত্র কৃষ্ণ সেৱাৰ দ্বাৰাই সমস্ত কৰ্ম্ম নকৰিয়ো সকলো কৰ্ম্মৰ ফল পায় আৰু কৰ্ম্মত্যাগ জনিত অপৰাধ হলেও ভগবানৰ কৃপাত কৰ্ম্মত্যাগ অপৰাধৰ পৰা পৰিত্ৰাণ পায়।

দেবৰ্ষিভূতাপ্তনৃণাং পিতৃনাং, ন কিঙ্কৰো নায়মৃণী চ ৰাজন্।
সৰ্ব্বাত্মনা যঃ শৰণং শৰণ্যং, গতো মুকুন্দং পৰিহৃত্য কৰ্ত্তম॥
(ভা ১১।৫।৪১)

স্বপাদমূলং ভজতঃ প্ৰিয়স্য, ত্যক্তান্যভাৱস্য হৰিঃ পৰেশঃ।
বিকৰ্ম্ম যচ্চোৎপতিতং কথঞ্চিদ্ ধুনোতি সৰ্ব্বহৃদি সন্নিবিষ্টঃ॥
(১১।৫।৪২)

যি জনে অনুষ্ঠানাদি ত্যাগ কৰিয়ো সৰ্ব্বপ্ৰকাৰত শৰণ্য বাসুদেৱৰ শৰণাপন্ন হয় দেৱ, ঋষি প্ৰভৃতিপাল্য, নৰ আৰু পিতৃসকলৰ কাৰণে তেওঁৰ পথত যত্ন কৰিবৰ আৱশ্যক নাথাকে আৰু তেওঁ দেৱাদি ঋণৰ পৰা মুক্ত থাকে।

পৰমেশ্বৰ হৰি তেওঁৰ পদসেৱী অনন্য ভাবাপন্ন প্ৰিয় ভক্তৰ হৃদয়ত প্ৰৱিষ্ট হৈ কচিৎ কেতিয়াবা যদি তেওঁৰ কৰ্ম্মত্যাগৰ অপৰাধ ঘটে তাক ক্ষমা কৰি থাকে।

প্ৰকৃতিত পৰ মই মহেশ্বৰ
নাহি আন মোত পৰে।
মোতে মাত্ৰ সম ভাবে যিটো নৰে
একান্ত ভকতি কৰে॥
বিধি নিষেধ যত গুণ দোষ
নোছে বে কহিলো নিষ্ট।
যিহেতু একান্ত ভকত জনৰ
মই হৈলো মহা ইষ্ট॥

শ্ৰীভাগৱতত—

ন ময্যেকান্তভক্তানাং গুণদোষোদ্ভবা গুণাঃ।
সাধূনাং সমচিত্তানাং বুদ্ধেঃ পৰমুপেয়ুষাম্॥ (১১ ২০ ৩৬)

মোতে একান্ত ভক্তি যুক্ত সমচিত্ত ভকতসকল প্ৰকৃতিৰ অতীত পুৰুষ মোক প্ৰাপ্ত হৈছে। এই কাৰণে তেওঁলোকৰ বিধি নিষেধ দকণ গুণদোষাদি সম্ভৱ নহয়; অৰ্থাৎ একান্ত মোৰ ভকতক বিধি আৰু বিধি নিষেধ জনিত অপৰাধে স্পৰ্শ কৰিব নোৱাৰে।

শ্ৰীমাধৱ পুৰুষে ঘোষাত লিখিছে —

হৰি ভকতৰ দোষ নধৰয় যম কাল আৰু কলি ।
ইসব কথাক, বিটো নমানয়, তিনতো কৰি বলী ॥
হৰি ভকতৰ দোষ নধৰয় ছিদ্ৰ শিৰোমণি কলি।
হেন ভকতৰ কিঞ্চিত ছিদ্ৰক, সজ্জনে থাকে আকোলি ॥

দোষৰ শিৰোমণি কলিয়েও হৰি ভকতৰ দোষ নধৰে। অধিকন্তু যম আৰু কালৰো তেওঁ দণ্ডনীয় নহয়। এনেন ভকতৰ দোষ যি জন সজ্জনে ধৰে, তেওঁ যম কাল আৰু কলিত কৈয়ো অধিক ।

৫ম উপদেশ

গীতাত শ্ৰীভগৱানে আন দেৱ ত্যজি একশৰণীয়া কৃষ্ণ ভক্ত সুদুৰাচাৰী হলেও তেওঁক সাধু বুলি কৈছে আৰু তেওঁ কেতিয়াও নষ্ট নহয়। যিহেতু ভকতৰ কেতিয়াও বিনাশ নাই— এই কথা উৰ্দ্ধ-বাহু হৈ কৰৈশ কৈছে। গীতাৰ ৯ম অধ্যায়ত—

অপি চেৎ সুদুৰাচাৰো ভজতে মামনন্যভাক্ ।
সাধুৰেব স মন্তব্যঃ সম্যগ্ব্যৱসিতো হিসঃ ॥ (৯।৩০)
ক্ষিপ্ৰং ভৱতি ধৰ্ম্মাত্মা শশ্বচ্ছান্তিং নিগচ্ছতি।
কৌন্তেয় প্ৰতিজানীহি নমে ভক্তঃ প্ৰণশ্যতি ॥ (৯।৩১)

অতি দুৰাচাৰী পুৰুষেও যদি অনন্যচিত্ত হৈ মোক ভজনা কৰে, তেওঁকে সাধু বুলি মনত কৰিবা। যি

হেতু তেওঁ মোক (সর্ব্ব শৰণ্য বুলি) নির্ণয় কৰিছে ; তেওঁৰ অধ্যৱসায় অতি উত্তম। এই নিচিনা দুৰাচাৰী ব্যক্তি অতি সোনকালে ধৰ্ম্মাত্মা হয় আৰু নিত্য শান্তি লাভ কৰে। হে কৌন্তেয়! তুমি সগর্ব্বে প্রতিজ্ঞা ক'ৰি কব পৰা মোৰ ভকতৰ কোনো কালে বিনাশ নাই।

মাধৱে বোলন্ত ধনঞ্জয় মহা দুৰাচাৰী অতিশয়
আন দেৱ তেজি মোকেসে মাত্র ভজয়।
তাকেসে পৰম সাধু বুলি মানিবা মনত সর্ব্বক্ষণে
যিহেতু সম্যকে কৰিলে মোক আশ্রয় ॥
ভক্তিৰ মহিমা অদভুত অধর্ম্ম তেজিয়া ধর্ম্মচিত্ত
হোৱে শীঘ্রে মোক ভজি জানা কুন্তীসুত।
আৰু যি কুতর্কী নমানয় তথা গৈয়া বায়া বাহুচয়
বাহু মেলি কৰা অঙ্গীকাৰ অদভুত ॥
মোহোৰ পৰম ঈশ্বৰৰ দুৰাচাৰ ভক্তো নোহে নষ্ট
কিন্তু সিটো ভক্ত কৃতার্থ অতি হোৱয়।
তোমাৰ প্রগল্ভ প্রৌঢ়ি-শুনি সমস্ত কুতর্ক পৰিহৰি
শুকতে তোমাত কৰিবে সবে আশ্রয় ॥

উপৰুক্ত গীতোক্ত আৰু নাম ঘোষাৰ পদে দৃঢ়স্বৰে বাহু মেলি অঙ্গীকাৰ কৰি এই কথাই জগতত ঘোষিত কৰিবলৈ কৈছে যে, দুৰাচাৰী অতি দুৰাচাৰী ব্যক্তি সকলেও একশৰণ হৈ পৰম গতি লাভ কৰিব পাৰে। ইয়াত কোনো সন্দেহ কৰিবৰ কাৰণ নাই। প্রাকৃত স্পর্শমনি পাথৰে যি

কোনো ধাতুকে স্পৰ্শ কৰিলে সি প্ৰকৃত সুবৰ্ণ হয় আৰু সুবৰ্ণৰ মূল্যেই সি বিক্ৰী হৈ থাকে; তেনেকুৱা ভক্তি স্পৰ্শমণিয়ে যাৰ হৃদয় এবাৰ স্পৰ্শ কৰে সি জাত্যাদি আৰু কুলাদি দোষৰ পৰা মুক্ত হৈ কৃতকৃত্য হয়। জগদ্‌গুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ আৰু তেওঁৰ অনুগত ভকত সকলৰ ভিতৰত শ্ৰীমাধৱ পুৰুষ, শ্ৰীদামোদৰ গুৰু আৰু শ্ৰীহৰি গুৰুকে আদি কৰি ঠাকুৰ আতা, মথুৰাদাস আতা আৰু গোপাল আতাদিৰ এই পৰম পাৱনী ভক্তি শক্তি আছিল। শ্ৰীমন্ত শঙ্কৰ দেৱৰ সময়ত কিমান সহস্ৰ সহস্ৰ অন্ত্যজ হীন জাতিও ভক্তিৰ শক্তি বলত ধন্য আৰু পবিত্ৰ হৈ সৰ্ব্বজন পূজিত হৈ গৈছে তাৰ সীমা সংখ্যা নাই।

যথা— জয়হৰি আতৈ যৱন, শানশায় আতৈ মুছলমান, গোবিন্দ আতৈ গাৰো, দামোদৰ আতৈ ভোট, নৰোত্তম আতৈ নগা, বলাই আতৈ মিৰি। এইসকল ভকত একমাত্ৰ একশৰণ নামধৰ্ম্মৰ বলত নিজে পবিত্ৰ হৈ জগতকো পবিত্ৰ কৰিছিল। এই কাৰণে শ্ৰীমন্ত শঙ্কৰ দেৱে কীৰ্ত্তনত লিখিছে।

চণ্ডালো হৰি নাম লয়ে মাত্ৰ।
কৰিবে উচিত যজ্ঞৰ পাত্ৰ॥

* * * *

কৃষ্ণৰ কথাত যিটো ৰসিক।
ব্ৰাহ্মণ জন্ম তাৰ লাগে কিক॥

সেহিসে কুলীন বেদক বুজে ।
যাহাৰ মুখে হৰিনাম সিজে ॥
নেলাগে দেব দ্বিজ ঋষি হইবে ।
নেলাগে বিস্তৰ শাস্ত্ৰক জানিবে ॥
ভকতিত তুষ্ট হোন্ত হৰি ।
মিছাতে মৰে আন কৰ্ম্ম কৰি ॥
কুকুৰ খায় হেন ম্লেচ্ছ গনে ।
সিও শুদ্ধ হয় হৰি কীৰ্ত্তনে ॥

৬ষ্ঠ উপদেশ

শাঙ্কৰী যুগত একমাত্ৰ একশৰণ ধৰ্ম্মৰ দ্বাৰাই বিৰাট হিন্দুজাতিক একেডাল দোলেৰে বান্ধি এক অপূৰ্ব্ব সমন্বয় ভাব আনয়ন কৰি সমাজ সংগঠন কৰিছিল । একমাত্ৰ ভক্তিৰ দ্বাৰাই ব্ৰাহ্মণ শূদ্ৰিৰ চণ্ডালাদি অন্ত্যজ জাতি সকলৰ পৰস্পৰ সাধ্যভাৱেৰে ভক্তি প্ৰেমৰ শিকলিৰে সম্বন্ধ স্থাপন কৰিছিল । মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱৰ ধৰ্ম্মৰ এইয়ে এক অদ্ভুত ধৰ্ম্ম প্ৰবৰ্ত্তনৰ নীতি । যাক শ্ৰীমাধৱ পুৰুষে কৈছে,—

এক শৰণ হৰি নাম ধৰম কহো
ৰাজা কৰো পৰকাশ ॥
কি কহব শঙ্কৰ দেৱৰ মহিমা
জানি অন্ত নাপাই ।

যাকেৰি চৰণক ৰেণু শিৰে পৰশি
মুকুতি সুখ সুখে পাই ॥
মাধৱ দীন মুৰুখ মতি কহয়
বাণী শুন সবলোই ।
বিনে গুৰু চৰণে ভকতি ৰকতি
মুকুতি কবহু নাহোই ॥
এহি পৰমতত্ত্ব বেদক বাণী
জানি নৰ নকৰ বিৰাম ॥
ধৰমক কৰমক গৰৰক ছোড়ি
ডাকি বোলহু ৰাম ৰাম ॥

গুৰু ভট্টিমাৰ শেষ পদত শ্ৰীমাধৱ পুৰুষে স্পষ্টকৈ এই কথাৰেই সীদ্ধান্ত কৰিলে যে, বেদৰ এইয়ে পৰম-তত্ত্ব একমাত্ৰ হৰি ভকতি। ইয়াকে জানি ধৰমক কৰমক গৰৰক ছাড়ি অৰ্থাৎ কালবিনাশী বেদৰ ধৰ্ম্ম আৰু কাল বিনাশী বেদৰ হেয় নৈমিত্তিক ক্ৰিয়া কাণ্ড, জাতি, বিদ্যা, ধন আৰু কুল মৰ্য্যাদাদি জনিত অভিমান ত্যাগ কৰি সৰ্ব্বদায় ৰাম নাম লোৱা। যোষাত—

বেদৰ বিহিত যত আছে ধৰ্ম্ম সংসাৰত
সবে হৰি নামৰ কিঙ্কৰ ।
হেন জানি যিটো জনে, নামৰ কীৰ্ত্তন কৰে
সেহিসে পৰম সাধু নৰ ॥

উপসংহাৰ

শৰণতত্ত্বৰ এইযে শেষ সীদ্ধান্ত । এক দেউ, এক সেউ, এক বিনে নাহি কেউ ॥ মহাপুৰুষীয়া ভাগৱতী ধৰ্ম্মৰ এইয়ে একশৰণ ধৰ্ম্মৰ মতবাদ । শ্ৰীমন্ত শঙ্কৰ দেৱৰ স্বহস্তে লিখিত ভাগৱতৰ ২য় স্কন্ধৰ পদ তলত উদ্ধৃত কৰি দিয়া হ'ল । সুকৃতিমান পুৰুষ সকলে ইয়াক গুৰুবাক্য বুলি বুকুত লৈ এই একশৰণ ধৰ্ম্মৰ আচৰণ কৰিব । দুস্কৃতিমান অসুৰ স্বভাৱযুক্ত লোক-সকলে ইয়াৰ বিৰুদ্ধাচৰণ কৰি নিজৰ পৰকাল নিজে ধ্বংস কৰিব । যিহেতু " আপুনি আপোন শত্ৰু, আপুনি আপোন মিত্ৰ, আপুনি আপোনাক ৰাখে মাৰে । হৰিক নভজি নৰ, আপুনি হোৱয় নষ্ট হৰি ভজি আপোনাক তাৰে ॥"

শ্ৰীমন্ত শঙ্কৰ দেৱৰ একশৰণ ধৰ্ম্মৰ ভাগৱত পদ ।

ওৰা নৰলোক হৰি ভজিয়োক
ধৰা ইটো উপদেশ ।
এৰা আল জাল জীৱা কতকাল
জৰা ভৈল পৰবেশ ॥
অন্য দেৱী দেৱ নকৰিবা সেৱ
প্ৰসাদ নাখাইবা তাৰ ।
মূৰ্ত্তিকো নচাইবা গৃহ নপশিবা
ভক্তি হৈব ব্যভিচাৰ ॥

এক কৃষ্ণ দেব কৰিয়োক সেৱ
ধৰিয়ো তাহান নাম ।
কৃষ্ণ দাস হুয়া প্ৰসাদ ভুঞ্জিয়া
হস্তে কৰা তান কাম ॥

উপৰোক্ত পদৰ দ্বাৰা মহাপুৰুষীয়া একশৰণ নাম ধৰ্ম্মৰ মূলতত্ত্ব আৰু ভিত্তি ফট্ ফটিয়াকৈ মহাপুৰুষৰ বাক্যৰ দ্বাৰাই স্বিকৃত হৈছে। ইয়াত আৰু কোনো দ্বিধাবোধ কৰিবৰ অৱকাশ নাই। শেষত পাষণ্ড মৰ্দ্দনৰ কেইটামান পদ দিয়া হ'ল । সেই পদ কেইটিয়ে আমালোকৰ পাষণ্ড মতিক মৰ্দ্দন কৰিব । সত্যাদি যুগত ধ্যান সমাধি যজ্ঞাদিৰ দ্বাৰা যি ফল পাইছিল, কলিত একমাত্ৰ কীৰ্ত্তনৰ দ্বাৰাই ধ্যান সমাধি যজ্ঞাদি আৰাধনা নকৰিয়ো তাতকৈ শ্ৰেষ্ঠ-ফল মুকুতিত কৰি গৰিষ্ঠ ভকতি পাই থাকে ।

কলি যুগত নাম ধৰ্ম্মৰ শ্ৰেষ্ঠতা—

সত্যযুগে কৰি ধ্যান সমাধি ।
ত্ৰেতাত সমস্ত যজ্ঞ আৰাধি ॥
দ্বাপৰে পূজে নানা ভক্তিভাৱে ।
কলিত কীৰ্ত্তনেসে গতি পাৱে ॥

* * * *

কলিত লোক অতি পাপমতি ।
নসাধে আন ধৰ্ম্মে আৰ গতি ॥

ৰাম নাম যিতো সততে গাৱে ।
সেহিসে হাততে মুকুতি পাৱে ॥
দুষ্টচিত্তো যদি হৰি স্মৰে ।
তথাপিতো তাৰ পাতক হৰে ॥
অনিচ্ছাতো যেন অগনি পোলে ।
বিষ্ণু ধৰ্ম্মোত্তৰ আগমে বোলে ॥
ঘোৰ সংসাৰৰ মুখ্য ঔষধ ।
হেন হৰি নাম এড়ি বিবুদ্ধি ॥
লভিবে মুকুতি কোন উপায় ।
মিছাত পণ্ডিত ফুৰে বোলয় ॥
সমস্ত লোকৰ ধৰ্ম্মক এড়ি ।
বিষ্ণুৰ নামক সততে বড়ি ॥
সি জনে যি গতি লভিবে সুখে ।
সকল ধাৰ্ম্মিকে নপাইবে দুখে ॥
জানিয়া হৰিক সততে স্মৰ ।
ক্ষণেকো নপাসৰিবাহা নৰ ॥
যত মহাপুণ্য মহাপাতক ।
ই দুয়ো কিঙ্কৰ জানা প্ৰত্যেক ॥

* * * *

কলিত হৰিৰ কীৰ্ত্তন এড়ি ।
ফুৰিবে লোকে আন কৰ্ম্ম কৰি ॥

পাইলেক শ্ৰম তপ ব্ৰত কৰি ।
একান্তে যিতো মুহূৰ্ত্তে হৰি ॥
জ্ঞানতো ধৰ্ম্মতো কৰিয়া নৰ ।
হৰি কীৰ্ত্তনত কৰা আদৰ ॥
সমস্ত শাস্ত্ৰত কৰিয়া সাৰ ।
পাষণ্ড মৰ্দ্দন নাম ইহাৰ ॥
এহিসে মৰ্দ্দিবে পাষণ্ড মতি ।
জানিবা কলিত নামেসে গতি ॥
কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে ভণে ।
বোলা হৰি হৰি সমস্ত জনে ॥

একশৰণ নামধৰ্ম্ম ।

সৰ্ব্ববেদসাৰ শ্ৰীমদ্ভাগৱত আৰু সৰ্ব্বশ্ৰুতি শিৰোমণি শ্ৰীমদ্ভাগৱদগীতাত ধৰ্ম্ম ৰক্ষাৰ্থে চৰাচৰ জগদগুৰু বিষ্ণু ধৰাত অৱতীৰ্ণ হয় । কলিকালত অৱতাৰৰ মুখ্য কাৰণ কলিযুগ ধৰ্ম্ম প্ৰৱৰ্ত্তনৰ কাৰণেহে— সাধুসকলৰ ধৰ্ম্ম ৰক্ষাৰ্থে অখিলাত্মা সৰ্ব্ব জগদগুৰু ঈশ্বৰ বিষ্ণুৰ আবিৰ্ভাৱ জীৱ সকলৰ মুক্তিৰ কাৰণে হৈ থাকে ।

৪।৭।৮ শ্লোকত ও এই কথাকেই কৈছে—

যদা যদাহি ধৰ্ম্মস্য গ্লানির্ভবতি ভাৰত।
অভ্যুত্থানমধৰ্ম্মস্য তদাত্মানং সৃজাম্যহম ॥
পৰিত্ৰানায় সাধুনাং বিনাশায় চ দুষ্কৃতাম্।
ধৰ্ম্ম সংস্থাপনাৰ্থায় সম্ভবামি যুগে যুগে ॥

হে ভাৰত! যেতিয়া—যেতিয়াই ধৰ্ম্মৰ গ্লানি হয় আৰু অধৰ্ম্মৰ অভ্যুত্থান হয়, মই সেই সেই সময়ত আপোনাক "মোক" সৃষ্টি কৰো অৰ্থাৎ দেহ ধাৰণ কৰি অৱতীৰ্ণ হও ৪।৭। সাধুসকলৰ পৰিত্ৰাণ, দুষ্ট সকল বিনাশৰ আৰু ধৰ্ম্ম সংস্থাপনৰ নিমিত্তে মই যুগে যুগে অৱতীৰ্ণ হও। ৪।৮।

উপৰোক্ত শ্লোক সমূহৰ মৰ্ম্ম এইয়ে যে, ঈশ্বৰ বিষ্ণুয়ে যুগে যুগে ধৰ্ম্ম ৰক্ষাৰ্থে অৱতাৰ গ্ৰহণ কৰে। জগত গুৰু শ্ৰীমন্ত শঙ্কৰ দেৱ যুগাৱতাৰ কলিযুগৰ জীৱ সমূহক পাপ সাগৰৰ পৰা উদ্ধাৰ পূৰ্ব্বক যুগধৰ্ম্ম প্ৰৱৰ্ত্তন কৰিবলৈ এই ধৰাধামত নৰলীলাৰ অভিনয় কৰিছিল। শ্ৰীনাম ঘোষাত আৰু গুৰুভটিমাত শ্ৰীমাধৱ দেৱ পুৰুষে স্পষ্ট ভাষাত বৰ্ণনা কৰিছে। যেনে—

আদি সত্যযুগে শুদ্ধ ধৰ্ম্ম আছিলেক মাত্ৰ হৰিনাম।
দেৱসবে গুপ্ত কৰিলে কৰি কপট।
হেন হৰিনাম ব্যক্ত কৰি সমস্ত লোকক উদ্ধাৰিলা
শ্ৰীমন্ত শঙ্কৰে ভাঙ্গিলা সবাৰে কপট ॥

পৰম অমূল্য ৰত্ন হৰিৰ নামৰ পেৰা
অতিগুপ্ত স্বৰূপে আছিলা।
লোকক কৃপায় হৰি শঙ্কৰ স্বৰূপে আসি
মুদ ভাঙ্গি সমস্তকে দিলা॥ (ঘোষা)।

ভট্টিমাত যেনে—

নিজকুল তাৰি ভকতি বিস্তাৰি
বান্ধল হৰিগুণ সেতু।
কলি যুগ পাপ পয়োধিক সধনৰ
তাৰণ কাৰণ হেতু॥
ভকতি ভাণ্ডাৰ দ্বাৰ সবছোড়ি
মুকুতি কয়লি উদাস।
এক শৰণ হৰি নাম ধৰম কহো
ৰাজা কুক পৰকাশ॥

এক ঈশ্বৰ বাদ আদি কাল সত্য যুগৰ শুদ্ধ ধৰ্ম্ম হৰিনাম, দেৱতা সকলে কপট কৰি ঢাকনি দি ঢাকি ৰাখিছিল। এই শেষ কলিযুগত শ্ৰীমন্ত শঙ্কৰ স্বৰূপে অৱতীৰ্ণ হৈ একশৰণ হৰিনাম ধৰ্ম্ম যে প্ৰবৰ্ত্তন আৰু প্ৰকাশ কৰিছিল নামঘোষাত আৰু গুৰুভট্টিমাত শ্ৰীমাধৱ দেৱ কৰ্ত্তৃক প্ৰমাণিত হ'ল। বৈদিক যুগত উপনিষদ যুগত আৰু তন্ত্ৰ যুগত এই একশৰণ হৰিনাম ধৰ্ম্ম, কৰ্ম্ম, জ্ঞান আৰু যোগাদিৰ, প্ৰাধান্তৰ বাবে আত্ম

প্ৰকাশ হোৱা নাছিল। কলিযুগত সম্পূৰ্ণ ভাবে এই শৰণ হৰিনাম ধৰ্ম্ম যুগধৰ্ম্ম অনুসাৰে শ্ৰৱন কীৰ্ত্তনাদি ভক্তি স্বৰূপে আত্ম প্ৰকাশ কৰে।

শ্ৰীহৰিৰ একশৰণ নাম ধৰ্ম্ম দ্ৰষ্টা আৰু বক্তা স্বয়ং শ্ৰীকৃষ্ণ প্ৰায় ৫০০০ বছৰ পূৰ্ব্বে দ্বাপৰৰ শেষ সন্ধ্যা আৰু কলিৰ প্ৰথম সন্ধ্যাত অৰ্থাৎ কলিযুগৰ প্ৰাৰম্ভনত পাৰ্থ সাৰথি শ্ৰীগোবিন্দে শোক মোহ নিমগ্নাদিৰ কৰ্ত্তব্য বিমূঢ় অৰ্জ্জুনক উপলক্ষ কৰি এই অদ্বৈতামৃত বৰ্ষিণী গীতা সমস্ত জগতবাসী মানৱক নিত্য ধৰ্ম্ম বুলি কুৰুক্ষেত্ৰ ৰণস্থলিত কীৰ্ত্তন কৰিছিল। বীৰভক্ত অৰ্জ্জুনে আদ্যপান্ত সমস্ত গীতাৰ মহান বাণী শ্ৰৱণ কৰি শোক মোহৰ পৰা উদ্ধাৰ হৈ নিজৰ কৰ্ত্তব্য স্মৃতি লাভ কৰিছিল।
শ্ৰীমাধৱদেৱে ঘোষাত কৈছে :—

শোক মোহ মহা পঙ্ক মাজে অৰ্জ্জুন মগণ ভৈল দেখি
পৰম ঈশ্বৰ দেৱতা নন্দ নন্দন।
কৃপায় ঈশ্বৰ তত্ত্ব কহি উদ্ধাৰিলা নিজ ভকতক
হেনো ঈশ্বৰৰ চৰণে লৈলো শৰণ ॥

ভগৱান শ্ৰীকৃষ্ণৰ অনেক দিনৰ পিছত প্ৰায় ২৫০০ বছৰ পূৰ্ব্বে বুদ্ধদেৱে এই শৰণ ধৰ্ম্ম সৰ্ব্ব সাধাৰণৰ ওচৰত প্ৰবৰ্ত্তন আৰু প্ৰচাৰ কৰিছিল। কিন্তু সেই মত বাদ বেদ বিৰুদ্ধ হৈ লাহে লাহে নাস্তিক শূণ্য বাদত পৰিণত

হয়। সেই অৱসৰতে ভাৰতত নানা প্ৰকাৰ জঘন্য তন্ত্ৰ ক্ৰীয়াদি প্ৰতিষ্ঠা লাভ কৰে। আৰু বেদৰ পৰিবৰ্ত্তে নানা প্ৰকাৰ ব্যভিচাৰ তন্ত্ৰাদিৰ দ্বাৰা ৰাজসিক আৰু তামসিক ভাবে আসুৰিক মতেৰে কৰ্ম্মকাণ্ড বোৰ অনুষ্ঠিত হব ধৰে। বুদ্ধদেৱৰ অনেক পিচত শঙ্কৰাচাৰ্য্যৰ বেদান্ত মাৰ্গ আৰু কুমাৰিলা ভট্টৰ বৈদিক মাৰ্গৰ দ্বাৰা বৌদ্ধ মতবাদ খণ্ডন কৰি বৈদান্তিক সন্ন্যাস জ্ঞানমাৰ্গ আৰু বেদিক কৰ্ম্ম কাণ্ড বেদবাদ প্ৰতিস্থিত হয়। নাস্তিক শূন্য বৌদ্ধ মতবাদৰ ঠাইত শঙ্কৰাচাৰ্য্যই আস্তিক ব্ৰহ্মবাদক প্ৰতিস্থিত কৰে। উপৰোক্ত মতবাদদ্বয় সম্পূৰ্ণ ভকতি শূন্য জ্ঞান-কৰ্ম্ম প্ৰাধান্য ভকতি বিৰোধী হৈ প্ৰতিস্থা লাভ কৰে। পিচত শ্ৰীমৎ ৰামানুজ স্বামী শঙ্কৰাচাৰ্য্যৰ জ্ঞানমাৰ্গত আৰু বৈদিক কৰ্ম্ম মাৰ্গত বেদবাদ সন্ন্যাস বাদ আৰু বেদ বাদ খণ্ডন মণ্ডন কৰে। জ্ঞান কৰ্ম্ম ভক্তিৰ অপূৰ্ব্ব সমন্বয় কৰি ভক্তি মাৰ্গৰ শ্ৰেষ্ঠতা প্ৰতিপাদন কৰি ভক্তিৰ শ্ৰেষ্ঠতা প্ৰতিস্থিত হয়। এই ভক্তি মাৰ্গী বৈষ্ণৱ ধৰ্ম্মাচাৰ্য্য শ্ৰীমৎ ৰামানুজ স্বামীয়ে শ্ৰীকৃষ্ণ শৰণম্ এই মহামন্ত্ৰ শৰণ ধৰ্ম্মৰ মতবাদ প্ৰবৰ্ত্তন আৰু প্ৰচাৰ কৰিছিল। কিন্তু গীতাৰ একশৰণ হৰিনাম ধৰ্ম্মৰ পৰা বহুত আতৰত পৰে। ৰামানুজ স্বামীৰ পিচত অনেক বৈষ্ণৱাচাৰ্য্য ভাৰতবৰ্ষত অবতীৰ্ণ হৈ কলিযুগৰ ধৰ্ম্ম

হৰিনাম শ্ৰৱণ কীৰ্ত্তন ভাগৱতী ধৰ্ম্মৰ প্ৰচাৰ কৰে। যেনে বিষ্ণু স্বামী, নিম্বাদিত্য স্বামী আৰু বল্লভাচাৰ্য্য ইত্যাদি উল্লিখিত বৈষ্ণৱাচাৰ্য্য সকলে ভক্তিকে প্ৰাধান্য দি একে ভাগৱতী ধৰ্ম্ম প্ৰচাৰ কৰিলেও জীৱতত্বলৈ প্ৰত্যেকৰ লৈতে প্ৰত্যেকৰ মতবাদ বিভেদ হৈ পৰে। আৰু প্ৰত্যেকে বেদান্তৰ পৃথক পৃথক ভাষ্য ৰচনা কৰিহে সন্তোষ লাভ কৰে। শ্ৰীমন্ত শঙ্কৰ দেৱৰ ধৰ্ম্ম প্ৰচাৰিত হৱৰ মাজ সময়ত বঙ্গদেশত শ্ৰীচৈতন্য দেৱেও ভাগৱতী বৈষ্ণৱ ধৰ্ম্মৰ প্ৰবৰ্ত্তন কৰে (প্ৰচাৰ কৰে)। তেখেতৰ ধৰ্ম্মতো অৱশেষত বলদেৱ বিদ্যাভূষণ কতৃক গোবিন্দ ভাষ্য নাম দি বেদান্তৰ পৃথক ভাষ্য ৰচনা কৰি আৰু সেই ভাষ্যক ভিত্তি কৰি শ্ৰীচৈতন্য দেৱৰ ধৰ্ম্মৰ মত বাদ প্ৰতিস্থিত হয়। ওপৰোক্ত বৈষ্ণৱাচাৰ্য্য সকলে ভাগৱত আৰু গীতাক প্ৰধান প্ৰামানিক গ্ৰন্থ বুলি স্বীকাৰ কৰে, আৰু ব্যাস সুত্ৰ বেদান্তৰ ভাষ্য ভাগৱত এই কথা স্বীকাৰ কৰিও ব্যাস সুত্ৰ ভাগৱত ভাষ্যৰ উপৰি বেদান্তৰ ভিন্ন ভিন্ন ভাষ্য লিখাত একে ভাগৱতী ধৰ্ম্ম দ্বৈত, দ্বৈতাদ্বৈত, বিশিষ্টাদ্বৈত আৰু শুদ্ধা দ্বৈত নানা প্ৰকাৰ ভাগৱতী ধৰ্ম্মৰ সম্প্ৰদায় সৃষ্টি হয়। শ্ৰীমন্ত শঙ্কৰ দেৱে ভাগৱতকে অভ্ৰান্ত বেদান্তৰ (ব্যাস সুত্ৰৰ) ভাষ্য জানি এই ব্যাস ভাষ্য

ভাগৱতক উপেক্ষা কৰিবৰ কোনো কাৰণ নাই দেখি শ্ৰীমদ্ভাগৱতক বেদান্ত সূত্ৰৰ ব্যাস ভাষ্য বুলি স্বীকাৰ কৰি তেখেতৰ একশৰণ হৰিনাম ধৰ্ম্মমত বাদ প্ৰবৰ্ত্তিত আৰু প্ৰতিষ্ঠিত কৰে।

অতি আচৰিত কথা সৰ্ব্ব শ্ৰুতি শিৰোমণি গীতাক ভাগৱতৰ দৰে প্ৰামানিক গ্ৰন্থ বুলি স্বীকাৰ কৰিও গীতাৰ এক ঈশ্বৰ বাদ এক শৰণ মূলক নাম ধৰ্ম্মৰ মত-বাদৰ পৰা ভাৰতবৰ্ষৰ বৈষ্ণৱাচাৰ্য্য সকলৰ মতবাদ কিছু পৃথক হৈ পৰে। এক শৰণকে ভিত্তি কৰি কোন মত বাদ প্ৰতিষ্ঠিত হৈছে বুলি আমাৰ জনা নাই। প্ৰায় ৫০০ বছৰৰ পূৰ্ব্বে শ্ৰীমন্ত শঙ্কৰ দেৱে গীতাৰ হৰিৰ এক শৰণ নাম ধৰ্ম্ম প্ৰবৰ্ত্তন কৰে। শ্ৰীমন্ত শঙ্কৰ দেৱৰ ধৰ্ম্মমতবাদ ভাগৱতৰ সাধুসঙ্গত হৰি কথা শ্ৰৱণ কীৰ্ত্তণ, ভক্তিৰ মহিমা, গীতাৰ এক শৰণ আৰু বিষ্ণুৰ সহস্ৰ নাম, হৰি নাম মহিমা।

শ্ৰীমন্ত শঙ্কৰ দেৱে একশৰণ নাম ধৰ্ম্ম প্ৰবৰ্ত্তন আৰু প্ৰচাৰ কৰাৰ সময়ত শ্ৰীমাধৱ দেৱ শ্ৰীদামোদৰ দেৱ শ্ৰীহৰিদেৱ, ঠাকুৰ আতা আদি কৰি ধৰ্ম্মাচাৰ্য্য সকল এই ধৰ্ম্মৰ প্ৰধান প্ৰচাৰক আছিল। কালক্ৰমে এই ধৰ্ম্মাচাৰ্য্য সকলৰ প্ৰচাৰিত ধৰ্ম্মৰ সামান্য আচাৰ বিচাৰৰ পাৰ্থক্যৰ কাৰণে, মহাপুৰুষীয়া, দামোদৰীয়া, হৰিদেৱীয়া,

নিকা পন্থি, গোপাল পন্থি ইত্যাদি প্ৰকাৰ পন্থত বিভক্ত হৈ পৰে, কিন্তু মূলতে এক শৰণ ধৰ্ম্ম সকলোৰে মূল ভিত্তি। তেৰা সকলে শঙ্কৰ দেৱৰ আনুগত্য স্বীকাৰ কৰি শৰণ মূলক নাম ধৰ্ম্ম প্ৰচাৰ কৰে। তদুপৰি শ্ৰীচৈতন্য সম্প্ৰদায়কো এই এক শৰণ নাম ধৰ্ম্মই আত্ম-সাৎ কৰিছে। যিহেতু আসামৰ শ্ৰীচৈতন্য পন্থি গোসাই সকলে প্ৰায় শিষ্য সকলক শৰণ কৰাই হে নাম মন্ত্ৰ প্ৰদান কৰি থাকে। এই শৰণ প্ৰথা নিশ্চয় শ্ৰীমন্ত শঙ্কৰ দেৱৰ প্ৰবৰ্ত্তিত এক শৰণ ধৰ্ম্মৰে অনুসৰণ কৰিছে।

পৃথিবীত যিমান বোৰ শ্ৰেষ্ঠ দাৰ্শনিক আৰু বৈজ্ঞানিক ধৰ্ম্ম আছে প্ৰায় সকলো বোৰতে এক শৰণ প্ৰথাহে আছে যেন লাগে। সকলো ধৰ্ম্মতে শৰণৰ মূল কথা প্ৰায় এক প্ৰকাৰ, যথা— ঈশ্বৰ এক অদ্বিতীয় তেওঁৱে কেৱল সেব্য। "একদেউ এক সেউ একবিনে নাই কেউ"। সেই ঈশ্বৰক সৰ্ব্বত ভাবে বৰণ কৰি লোৱা সেই ঈশ্বৰক দৃঢ় বিশ্বাস কৰা; সেই ঈশ্বৰৰ প্ৰীতিৰ বোধে সমস্ত কৰ্ম্ম কৰা তেওঁৰ অপ্ৰীতিৰ কৰ্ম্মৰ পৰা আতৰত থকা স্বধৰ্ম্ম আচৰণ (নিজ নিজ অধিকাৰ কৰ্ম্ম) কৰি দৈনন্দিন জীৱন যাপন উপায় সেই ঈশ্বৰত নিৰ্ভৰ কৰা অৰ্থাৎ সেই ঈশ্বৰ সমস্ত বিশ্বৰ পালক তেওঁ মোকও পালন কৰিব। এই দৰে ঈশ্বৰত

নির্ভৰ কাম্য । সেই ঈশ্বৰ সৃষ্টি স্থিতি সংহাৰ কৰ্ত্তা আমি তাৰে সেৱা কৰিম । সৰ্ব্ব শক্তিমান ঈশ্বৰৰ মহা মাহমাৰ ওচৰত মই ক্ষুদ্ৰ জীৱ এই সত্য ভাব লৈ সেই ঈশ্বৰত সম্পূৰ্ণ ভাবে দৈন্যতা পূৰ্ব্বক আত্ম নিবেদম আৰু তাৰে নাম গুণ শ্ৰৱণ কীৰ্ত্তনক প্ৰেসংশা কৰি সেই ঈশ্বৰক সন্তোষ কৰা । এইয়ে এক শৰণ ধৰ্ম্মৰ মূল কথা। উপৰোক্ত কথা কেইটি অকপট ভাবে সৰল প্ৰাণে অতি দৈন্য ভাবে ঈশ্বৰৰ আগত স্বীকাৰ কৰি আত্ম সমৰ্পণ কৰাই শৰণ । চিত্ত শুদ্ধিৰ তাৰতম্যৰ অনুসাৰে শৰণৰ তিনিটি অৱস্থা, যেনে— প্ৰাকৃত শৰণ, মধ্যম শৰণ, আৰু উত্তম শৰণ । যি শৰণত প্ৰাকৃত বস্তুত বিশ্বাস প্ৰবল সেই বাবে প্ৰাকৃত ভাব পৰিত্যাগ কৰিব নোৱাৰে এইয়ে প্ৰাকৃত শৰণ । মধ্যম শৰণ তাকে বোলে সৰ্ব্বব্যাপী ঈশ্বৰ বিশ্বাস্ কিন্তু বিশ্ব জগত তাৰেই বিভূতি সমস্ততে তেওঁৰে বিকাশ এই ব্ৰহ্মাণ্ড তাৰেই ৰূপ, তেওঁ ব্ৰহ্মৰূপী আৰু জগতৰূপী অনন্ত কোটি জীৱ তাৰেই প্ৰকাশ এই বিশ্বাসৰ অভাৱ এই কাৰনে তাকে মধ্যম শৰণ বোলা হয় । উত্তম শৰণ তাকে বোলে যি শৰণত সমস্ত জগতত তাৰেই বিভূতিৰ প্ৰকাশ আৰু বিকাশ, বাহিৰে ভিতৰে হৰিময় দেখে, উত্তম মধ্যম আৰু অধম সমস্ত জীৱতে আত্মাৰাম স্বৰূপে সেই লীলাময় ভগৱানক অনুভৱ কৰি সকলৰে লৈতে আত্মবৎ ব্যৱহাৰ

কৰে এইয়ে উত্তম শৰণ। এই শৰণত বাহিৰে ভিতৰে ঈশ্বৰক অনুভৱ কৰে আৰু তাৰ অপাৰ কৰুণা জীৱৰ প্ৰতি অটল দয়া উপলব্ধি কৰে তাৰেই নাম গুণ লীলা সমূহত কথন মথন ৰমণত মগ্ন হৈ থাকে। এক শৰণত প্ৰথম কেইটিমান অৱস্থা আছে। সৰ্ব্ব শক্তিমান ভগৱানৰ ভক্তবৎসলাদি অসীম গুণ আৰু মহিমাৰ কথা সাধু মুখে কীৰ্ত্তন শুনোতে শুনোতে ভগৱানৰ প্ৰতি যি বিশ্বাস আৰু আসক্তি জন্মায় শৰণৰ এই প্ৰথম অৱস্থা। এনে ভাৱ যেতিয়া কোনো মানুহৰ জন্মে তেতিয়া তেওঁ জ্ঞানী আৰু তত্ত্বদৰ্শীৰ ওচৰত পৰমাৰ্থ বস্তু বুজিবৰ ইচ্ছা জন্মে। অন্তৰত ভগৱানৰ বিশ্বাস আৰু আসক্তিয়ে যেতিয়া ঈশ্বৰৰ প্ৰতি ভক্তি আৰু ভগৱন্তক পাবৰ কাৰণে আসক্তি জন্মায় শৰণৰ এই য়ে মধ্যম অৱস্থা। এই নিচিনা অৱস্থা কোনো মানুহৰ হলে সদ গুৰু গ্ৰহণ কৰি ভগৱন্তৰ তত্ত্ব বুজিবলৈ পৰমানন্দ লাভ কৰিবলৈ ইচ্ছা কৰে। সদগুৰুৰ কৃপাত অন্তৰত ঈশ্বৰ বিশ্বাস যেতিয়া দৃঢ় হৈ ভক্তি অনুশীলন অথাৎ সাধু সঙ্গত শ্ৰৱণ কীৰ্ত্তন কৰোতে ২ হৃদয়ত ভগৱানৰ অসীম কৰুণা, দয়া আৰু সেই ঈশ্বৰৰ অস্তিত্ব অনুভৱ কৰি সংসাৰৰ প্ৰতি বিৰাগ জন্মে। এই অৱস্থা কোনো মানুহৰ হলে কৃষ্ণ কথা সাধু সঙ্গ বিনে একোএ তাৰ ভাল নালাগে। ইয়াকে এক শৰণৰ ৩য় অৱস্থা কোৱা হয়।

কোটী কোটী অনন্ত কোটী ব্ৰহ্মাণ্ডৰ হৰি অধিকাৰী সেই হৰিয়েই দৈৱকী নন্দন শ্ৰীকৃষ্ণ। তেওঁৰ সেৱাতেই সকলো মনোৰথ সিদ্ধ হৈ থাকে। সেই একমাত্ৰ ঈশ্বৰ শ্ৰীকৃষ্ণ শৰণাগত হোৱাকে এক শৰণৰ ৪ৰ্থ অৱস্থা বোলে। এনে অৱস্থা কোনো মানুহৰ হলে তেওঁ কায় মনবাক্যে ভগৱন্ত পুৰুষত আত্ম সমৰ্পন কৰি সাধু সঙ্গত সেই ঈশ্বৰৰ নাম গুণ লীলা শ্ৰৱণ কীৰ্ত্তন ৰসত মজি থাকে। একশৰণ ধৰ্ম্মৰ শেষ অৱস্থা বোলে; তেতিয়া তৈল ধাৰাৰ দৰে হৰিকথা শ্ৰৱণ কীৰ্ত্তন কৰিবলৈ অতি প্ৰৱল ভক্তি আসক্তি আৰু কৃষ্ণ কথাৰ আসক্তি জন্মায়, অইন কোনো বিষয় তিল পৰিমানো ভাল নালাগে। জলহীন মীন যেনে বাঁচি থকা সম্ভৱ নহয় সেইদৰে কৃষ্ণ কথা বিনে যেতিয়া কোনো ভক্তৰ জীৱন ধাৰণ অসম্ভৱ বোধ কৰে তেতিয়া তেওঁৰ পূৰ্ণ শৰণ হৈছে বুলি জানিব লাগে। এনে অৱস্থা জন্ম হলে বিধি আৰু বিধি নিষেধ দুয়ো পৰিত্যাগ কৰি সদায় হৰি গুণ কীৰ্ত্তন আনন্দ সাগৰত কথন মথন ৰমন কৰি থাকে। এই বিষয়ে নাম ঘোষাত শ্ৰীমাধৱদেৱ পুৰুষে লিখিছে—

ঐকান্তিক মহা মুনি যত নিবৰ্ত্তিয়া বিধি নিষেধত
নিৰ্গুণ ভাৱত স্থিতি হৈয়া নিৰন্তৰে।
জানি পুৰুষাৰ্থ সাৰ তত্ত্ব কৃষ্ণ কথামৃত সাগৰত
কথনে মথনে সদায়ে ৰমণ কৰে॥

ধৰ্ম্ম অৰ্থ কামমোক্ষ সুখ কৃষ্ণ কথা আনন্দ ৰসত মগ্ন ব্যক্তি তৃণ তুল্য বোধ কৰে । (চাৰি পুৰুষাৰ্থ তৃণ সম কৰয়) ঘোষা ।

বাস্তৱিকতে তেওঁলোক তেওঁহঁতে একশৰণ ধৰ্ম্মৰ অধিকাৰী। একশৰণ নামধৰ্ম্মৰ এইয়ে পৰম সিদ্ধি অৱস্থা ৫ম পুৰুষাৰ্থ । কোনো অভীষ্টৰ আশা নাৰখাই একমাত্ৰ দৈৱকী নন্দন ঈশ্বৰ শ্ৰীকৃষ্ণ ভগৱন্তৰ চৰণত আত্ম সমৰ্পনেই একশৰণ সঁচা কিন্তু প্ৰাথমিক ভক্তি ৰাজ্যত প্ৰৱেশৰ এই কৰ্ম্মটি আনুষ্ঠানিক ভাৱে (প্ৰণালী বদ্ধ ভাৱে) সম্পন্ন হোৱা সাধু সমাজত চিৰন্তন সদাচাৰ বুলি প্ৰচাৰিত আছে। শৰণ দিয়া গুৰুজনে শৰণৰ সাধাৰণ প্ৰণালী ভাগৱতী নামধৰ্ম্ম নাৰায়ণৰ পৰা পৰম্পৰ প্ৰাপ্ত বৈকুণ্ঠৰ পৰমাৰ্থ বস্তু শ্ৰীমদ্ভাগৱত গ্ৰন্থ স্থাপনা কৰি নাইবা স্থাপিত আসন হলে গুৰু আসনৰ সন্মুখত ৰাখি শলা বন্তি জলাই সম্ভৱ হলে সাধাৰণ উপকৰণেৰে শৰাই পাতি প্ৰাসঙ্গীক নাম কীৰ্ত্তন শেষ কৰি শৰণ লব খোজা প্ৰাৰ্থীক শৰণ দিয়া গুৰু জনে গুৰুদেৱ নাম ভকত এই চাৰি বস্তুৰ পাৰমাৰ্থিক বিশ্বাসৰ কথা ভাঙি কৈ গুৰু আসনলৈ (ভাগৱতলৈ) চাই তিনিবাৰ সত্য খুৱাই সাতবাৰ দণ্ডৱৎ কৰাই শৰণ কৰাব । পিছত শৰণীয়া গুৰুজনৰ মুখে ঈশ্বৰ শ্ৰীকৃষ্ণ

ভগৱন্তৰ চৰিত শৰণ লৱ। অদ্বয় তত্ত্ব শ্ৰীভগৱন্ত জীৱ উদ্ধাৰৰ কাৰণে এই জগতত চাৰি স্বৰূপে আত্ম প্ৰকাশ যে কৰিছে এই পৰমাৰ্থ বস্তুৰ কথা বুজনি দিব ।

এই একশৰণ নাম ধৰ্ম্ম দেশ কাল পাত্ৰ ভেদে আৰু বিভিন্ন ২ থান সত্ৰত আৰু দামোদৰীয়া হৰিদেৱীয়া আদি পন্থি বিভেদ হোৱাত একশৰণত বহু কাল্পনিক কথা সোমাইছে । কিন্তু মূল বস্তু সকলৰে একে যেন লাগে ।

প্ৰথমতে গুৰুত শৰণ ত্ৰিগুণাতীত নিৰ্ম্মল চৈতন্যময় শ্ৰীকৃষ্ণৰ প্ৰকাশ বিগ্ৰহ আত্মা কৃষ্ণৰ মহাভাগৱত ৰূপী গুৰু জনত শৰণ লোৱাই গুৰুত শৰণ । পৰম পুৰুষ ভগৱন্তই জীৱ উদ্ধাৰৰ বাবে ভক্ত ভাৱলৈ জগতত অৱতীৰ্ণ হৈ থাকে ।

দ্বিতীয়তে দেৱত শৰণ অনন্ত কোটী ব্ৰহ্মাণ্ডৰ অধিপতি শঙ্খ চক্ৰ, গদা, পদ্মধাৰী শ্ৰীকৃষ্ণ চৰণত শৰণ কৰাই দেৱত শৰণ ।

তৃতীয়তে নামত শৰণ, কলি কালত নাম ৰূপ শ্ৰীকৃষ্ণ ভগৱন্তৰ অৱতাৰ নাম নামিৰ ভেদ নাই ।

যেই নাম সেই কৃষ্ণ ভজা নিষ্ঠ কৰি ।
আপন নামৰ সঙ্গ নছাৰন্ত হৰি ॥ (ঘোষা)

আপোন নামকো বহুতৰ কৰি নিজ সৰ্ব্বশক্তি দিয়া।
কালৰ নিয়ম নিবিহিলা স্মৰণত ॥ (ঘোষা)

উপৰোক্ত কথা খিনি শৰণ দিয়া গুৰুজনে শৰণ লোৱা সেৱক জনক বুজাই দিব। লীলা বিগ্ৰহধাৰী অৱতাৰী দ্বিভুজ মুৰাৰী ভগৱন্ত শ্ৰীকৃষ্ণত শৰণ কৰাই নামত শৰণ।

চতুৰ্থতে ভকতত শৰণ। অপাৰ করুনাৰ সাগৰ শ্ৰীকৃষ্ণ ভগৱন্ত পুৰুষে ভক্ত স্বৰূপে অৱতাৰ গ্ৰহণ কৰি নিজে ভক্তি ধৰ্ম্ম আচৰণ কৰি জগতৰ জীৱক আচৰণ কৰাই জগতৰ জীৱ সমূহক উদ্ধাৰ কৰিবলৈ মহা ভগৱন্ত ভক্ত স্বৰূপত শৰণ লোৱাই ভকতত শৰণ।

মুক্তিতো নিস্পৃহ যিটো, সেহি ভকতক নমো
ৰসময়ী মাগোহো ভকতি।

নমো নমো নিত্য নিৰঞ্জন নাৰায়ণ শিৱ সনাতন
অনাদি অনন্ত নিৰ্গুণ গুণ নিয়ন্তা।
পৰম পুৰুষ ভগৱন্ত নাহি পূৰ্ব্বাপৰ আদি অন্ত।
তুমি সে চৈতন্য সমস্ত ভৱ ভাৱন্তা ॥
হে কৃষ্ণ তুমি নিজ আত্মা প্ৰিয়তম গুৰু
মোৰ প্ৰভু নাৰায়নএ পৰম ঈশ্বৰ ভয়হাৰী।
এতেক জানিয়া তযু চৰণে শৰণ লৈলো।
মোৰ প্ৰভু নাৰায়ণএ নছাৰিবা ইবাৰ মুৰাৰি ॥
হৰি হৰি লৈয়ো মোক মায়াক নিবাৰি হৰিএ ॥

সেৱক জনক মতাব ।

হে কৃষ্ণ স্বামী তযু পাৱে আমি কেৱলে শৰণ চাওঁ ।
কৰা অনুগ্ৰহ মায়াৰ নিগ্ৰহ তৱেসে প্ৰভু এ ৰ ॥
হে যদুপতি মই মূঢ়মতি নজানো সেৱা তোমাৰ ।
কেহনে তোমাৰ চৰণ পঙ্কজে শৰণ কৰিলো সাৰ ॥
পুৰুষ উত্তম পৰম পুৰুষ পৰম আনন্দ স্বামী ।
তযু পাদপদ্ম মকৰন্দ আশে শৰণ পশিলো আমি ॥
প্ৰভু ভগৱন্ত অনন্ত ঈশ্বৰ প্ৰপন্ন জন তাৰণ ।
তুমি প্ৰিয়তম পৰম দেৱতা জানিয়া লৈলো শৰণ ॥

যাদৱ যদু নন্দন, মাধৱ মধুসুধন
তুমি নিত্য নিৰঞ্জণ নাৰায়ণ তোমাত লৈলো শৰণ
ইবাৰ কৰুণাময় হৰি কমলা পতি
মোকে নছাৰিবা নাৰায়ণ ।
অৰুণ চৰণ তলে হৰি কমলা পতি
সত্যে সত্যে পশিলো শৰণ ॥
হৰি চৰণত শৰণ লৈলো এহৰি নাৰায়ণ ।
মানৱী জনম সফল কৈলো এহৰি নাৰায়ণ ॥

গোপাল গোবিন্দ যদু নন্দন কৃষ্ণৰ চৰণে লৈলো শৰণে ।
ৰাঘৱৰ অভয় চৰণে সত্যে সত্যে পশিলো শৰণ ॥
ৰামৰ চৰণে শৰণ লৈলো । মানৱী জনম সফল কৈলো ॥
হৰিও হৰি চৰণে লাগো । অভয় চৰণে শৰণ মাগো ॥
ৰাম ৰঘুপতি ৰঘুনন্দন । তোমাৰ চৰণে লৈলো শৰণ ॥

হে প্ৰাণবন্ধু কৃষ্ণ কৃপাৰ ঠাকুৰ ।
অন্য এক কথা দয়া মায় দূৰ হোক ॥
জয় জয় কৃপাময় দেৱ সত্যপতি ।
তোমাৰ চৰণে মাগো অমূল্য ভকতি ॥
হে পৰমানন্দ কৃষ্ণ কৃপা সিন্ধু ।
ভকতি আনন্দ ৰস মাগো একবিন্দু ॥
পাতকত পৰিয়া বৈলো এভৱ সাগৰে ।
পতিত পাৱন নাম বৈভেল কিবা ভৱে ॥
অৰুণ চৰণে মই পাপীকো তাৰিয়ো ।
পতিত পাৱন নাম সফল কৰিয়ো ॥
আতুৰ ভৈলেকো হৰি বিষয় বিকলে ।
কৰিয়ো উদ্ধাৰ মোক চৰণ কমলে ॥
হে কৃষ্ণ কৃষ্ণ নাথ কৰা পৰিত্ৰাণ ।
তনু নাৱ বুধি আসে নাহিকে গিয়ান ।
নাম ধন দিয়া মোৰে কিনা বনমালী ।
দাস পাই নকৰা কমন ঠাকুৰালী ॥
নিজ দাস কৰি হৰি মোৰে কিনা কিনা ।
আনধন নলাগয় নামধন বিনা ॥
জয় জয় ৰাম কৃষ্ণ শৰণ তোমাৰ ।
কৃপাৰ সাগৰ কৃপা কৰা একবাৰ ॥
দিয়ো দৰশন পাৱে পশিলো শৰণ ।
ভকত জনৰ ধন তুমি নাৰায়ণ ॥

—প্ৰাপ্তিস্থান ।

ন সত্ৰ গীতাশ্ৰম, মৰিগাওঁ

(পোঃ— জালুগুটি, নগাওঁ, অসম)

শ্ৰীমনোৰঞ্জন দাস ।

বৰপেটা

শ্ৰীযাদৱ চন্দ্ৰ দাস ।

ছাউনী ।

বৰপেটা সুন্দৰী প্ৰেছত

ছপা হ'ল ।